ঢেকীয়াজুলিৰ নাৰায়ণপুৰ চাহবাগিচাত চাঞ্চল্যকৰ হত্যাকাণ্ড

হাতুৰীৰে কোবাই মহিলাক নৃশংস হত্যা, ঘাতক পলাতক

'আমাৰ অসম'ৰ ঢেকীয়াজুলিৰ বিশেষ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ ঢেকীয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত নাৰায়ণপুৰ চাহবাগিচাৰ পুৰণা লাইনত সংঘটিত হৈছে এক চাঞ্চল্যকৰ আৰু ৰহস্যজনক হত্যাকাণ্ড। অচিনাক্ত দুৰ্বৃত্তই নিজ ঘৰতে হাতুৰীৰে কোবাই নৃশংসভাৱে হত্যা কৰিলে আমন্তি চুৰেন নামৰ এগৰাকী ৩৭ বছৰীয়া মহিলাক। এই নৃশংস হত্যাকাণ্ডই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী মতে, বুধবাৰে সন্ধিয়া প্ৰায় ৫: ৩০ মান বজাত মহিলাগৰাকীয়ে নিজ গৃহতে বিছনাত বহি সাপ্তাহিক সঞ্চয় গোটৰ ধনৰ হিচাপ কৰি আছিল। সেই সময়তে কোনো লোকে ঘৰত প্ৰৱেশ কৰি হাতুৰীৰে মূৰত কোবাই মহিলাগৰাকীক হত্যা কৰে। ঘটনা সংঘটিত কৰিয়েই হত্যাকাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। সেই সময়ত মৃত মহিলা গৰাকীৰ ভণ্টি পাকঘৰত ভাত বনাই আছিল আৰু মহিলা গৰাকী বিছনাত বহি টকা হিচাপ কৰি আছিল। পাছত মহিলাগৰাকীক তেজেৰে লুতুৰি-পুতুৰি অৱস্থাত উদ্ধাৰ কৰে যদিও তেতিয়ালৈকে তেওঁৰ মৃত্যু হৈছিল। পিছত ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত শ শ লোকৰ ভিৰ হয়। ইয়াৰ পাছতে আৰক্ষীক খবৰ দিয়া হয়। আৰু খবৰ পোৱাৰ লগে লগে ঢেকীয়াজুলি আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। ইতিমধ্যে ঢেকীয়াজুলি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ঘটনাৰ তদন্তৰ বাবে মৃত মহিলাগৰাকীৰ দুই বাই-ভনীক আৰক্ষীয়ে আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। ঢেকীয়াজুলি আৰক্ষীয়ে ইতিমধ্যে হত্যাকাৰীৰ সন্ধানত অভিযান আৰম্ভ কৰিছে। গোটৰ ধনৰ লোভতে এই হত্যাকাণ্ড সংঘটিত হ'ল নে, ইয়াৰ আঁৰত আন কোনো কাৰণ আছে, সেই সন্দৰ্ভত আৰক্ষীয়ে সকলো দিশৰ পৰা তদন্ত চলাই আছে। আনহাতে এই ঘটনাই চাহবাগিছা অঞ্চলৰ নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। সন্ধিয়াৰ সময়ত নিজ ঘৰতে এগৰাকী মহিলাৰ এনে নৃশংস হত্যাই ৰাইজক আতংকিত কৰি তুলিছে।

নগাঁৱৰ বৰঘাট বাইপাছত চোৰাং গৰু জব্দ

'আমাৰ অসম'ৰ বেবেজীয়াৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰঘাট আৰক্ষী চকীৰ আৰক্ষীয়ে আজি এক গোপন সূত্ৰৰ পমখেদি চাৰিলেনযুক্ত বৰঘাট বাইপাছৰ ডাকৰঘাটত অবৈধভাবে সৰবৰাহ কৰা চোৰাং গৰু জব্দ কৰে। আৰক্ষী সূত্ৰে জানিব পৰামতে নগাঁও জিলাৰ চামগুৰিৰ পৰা এ এছ ০২ বি চি ৫৮০০ নম্বৰৰ চাৰিচকীয়া বাহনত ১৬টা গৰু আনি থকা অৱস্থাত অভিযান চলাই। অভিযানৰ সময়ত আৰক্ষীয়ে চোৰাং গৰুভৰ্তি বাহনখন জব্দ কৰাৰ লগতে দুজন চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে এই সন্দৰ্ভত বিশেষ তথ্য সদৰি কৰিব বিচৰা নাই। চোৰাং গৰু সৰবৰাহী দলটোৱে গৰুখিনি বাংলাদেশলৈ প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছিল। উল্লেখ যে বিগত দিন কেইটাত কলিয়াবৰ, জখলাবন্ধা, চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে কেইবাখনো বাহনসহ শতাধিক চোৰাং গৰু জব্দ কৰিছিল।

পানবজাৰ আৰক্ষীৰ জালত দুই চাইবাৰ প্ৰৱঞ্চক

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ চাইবাৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে অভিযান চলাই পানবজাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে দুই প্ৰৱঞ্চকক। ধৃত প্ৰৱঞ্চক দুটা হৈছে চামনুৰ ৰহমান আৰু শুভম শ্বাহ। অভিযোগ অনুসৰি, মিউল বেংক একাউণ্ট খুলি এই চক্ৰটোৱে লাখে লাখে টকা আত্মসাৎ কৰি আহিছিল। তদন্তত পোহৰলৈ অহা তথ্য অনুসৰি, ধৃত শুভম শ্বাহে বহু লোকৰ নামত আই ডি বি আই বেংকত মিউল একাউণ্ট খুলি দিছিল। উল্লেখ্য যে শুভম শ্বাহ পূৰ্বতে আই ডি বি আই বেংকৰ কৰ্মচাৰী আছিল। এই একাউণ্টসমূহৰ জৰিয়তে কিউ আৰ কোড প্ৰস্তুত কৰা হৈছিল আৰু চাইবাৰ প্ৰৱঞ্চনাৰে লুট কৰা ধন প্ৰতিদিনে এই একাউণ্টসমূহত জমা হৈছিল। ঘটনা সন্দৰ্ভত পানবজাৰ আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

তামুলপুৰৰ দৰংগামেলাত বিধ্বংসী অগ্নিকাণ্ড, বিস্তৰ ক্ষতি



'আমাৰ অসম'ৰ তামুলপুৰৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ দৰংগামেলাত নুৰ মহম্মদ নামৰ এজন ব্যৱসায়ীৰ ভঙা চিঙাৰ ডেম্পত কালি নিশা ৯ মান বজাত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈ সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হয় কেবা লক্ষাধিক টকাৰ সামগ্ৰী। ব্যৱসায়ীজনৰ ডেম্পটোত কেনেদৰে জুইৰ সূত্ৰপাত হ'ল সেইটো এতিয়াও জানিব পৰা হোৱা নাই যদিও শ্ৰৰ্ট ছাৰ্কিটৰ ফলতেই সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। জুইৰ লেলিহান শিখাই ডেম্প আগুৰি ধৰাৰ সময়তে স্থানীয় ৰাইজৰ দৰংগামেলা আৰক্ষীৰ দল আৰু তামুলপুৰ আৰু কাষৰীয়া ভূটানৰ পৰা তৎকালীনভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপনৰ কৰে।

চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ আৰক্ষীৰ জালত ৰঙাপৰাৰ প্ৰৱঞ্চক

'আমাৰ অসম'ৰ তেজপুৰৰ ষ্টাফ ৰিপ'টাৰ, ১২ নৱেম্বৰ ঃ প্ৰৱঞ্চনাৰ অভিযোগত আজি ৰঙাপৰাৰ পৰা একাংশ লোকে আচিকুৰ ৰহমান নামৰ এজনক ৰঙাপৰা আৰক্ষী থানা অধীনস্থ শালনিবাৰী আৰক্ষী চকীত গতাই দিয়ে। অভিযোগ অনুসৰি নিজকে বালিপৰা শক্তিমিছন নামৰ এটা বেছ্বকাৰী সংস্থাৰ অধ্যক্ষ বুলি নিজকে পৰিচয় দিয়া আচিকুৰে ১৪জন যুৱক যুৱতীক তেজপুৰৰ শ'লমৰাস্থিত সেনা চাউনিত চাকৰি দিয়াৰ প্ৰলোভন দি প্ৰতিজনৰ পৰা আঢ়ৈ হাজাৰকৈ ধন সৰকাইছিল। বিভিন্ন সৰু সুৰা অনুষ্ঠান প্ৰতিষ্ঠানত নিয়োজিত হৈ থকা আৰু আৰ্থিক ভাবে যথেষ্ট পিচপৰা এইসকল যুৱকযুৱতীৰ পৰা প্ৰায় দুই তিনিমাহ পূৰ্বে ধন আদায় লৈ যোৱা পাঁচ অ''ৱৰত তেওঁলোকক শ'লমাৰ সেনা ছাউনিত যোগদানৰ তাৰিখ উল্লেখ কৰি ভুৱা নিযুক্তি পত্ৰও দিয়ে আচিকুৰে। কিন্তু সেইদিনা যোগদান কৰিবলৈ গৈ ব্যৰ্থ হোৱা যুৱকযুৱতী সকলক নিযুক্তি পত্ৰত ভুল থকা বুলি পতিয়ন নিয়াই পুনৰ ২২ অক্টোবৰত যোগদানৰ তাৰিখ হিচাপে উল্লেখ কৰি পুনৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। কিন্তু যুৱকযুৱতী সকলে এইবিষয়ে খৱৰ লৈ এয়া আচিকুৰৰ প্ৰৱঞ্চনা বুলি নিশ্চিত হোৱাত তেওঁলোকে আদায় দিয়া ধন ঘুৰাই বিচাৰে। এইবাৰ আচিকুৰে সাতজনক পৃথকে একোখন চেক দিয়ে যদিও সেয়াও আছিল ভু�ৰা। তাৰ পিছৰে পৰাই আচিকুৰক বিচাৰি নোপোৱা যুৱক-যুৱতীসকলে আজি দুপৰীয়া আচিকুৰক ৰঙাপৰাৰ নিজা বাসগৃহৰ পৰাই কৰায়ত্ত কৰি শালনিবাৰী আৰক্ষী চকীত গটাই দিয়ে। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ভুক্তভোগী সকলে আচিকুৰৰ বিৰুদ্ধে তেজপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। সম্প্ৰতি শালনিবাৰী আৰক্ষী চকীত অভিযুক্ত আচিকুৰক আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।

ধূপধৰাত অচিনাক্ত বাহনৰ খুন্দাত দম্পতী আহত

'আমাৰ অসম'ৰ ধূপধৰাৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ ধূপধৰাৰ সমীপৰ গৰুছটকাত ১১ নৱেম্বৰৰ সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত শাৰীৰিকভাৱে অক্ষম পদুপাৰাৰ আমিন আলী আৰু তেওঁৰ পত্নী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, চৰকাৰৰ পৰা লাভ কৰা ই-ৰিক্সাখনেৰে বজাৰ তথা মানুহৰ ঘৰে ঘৰে গৈ সাহায্য বিচাৰি উভতি অহাৰ সময়তে গৰুছটকাৰ পুৰণি মছজিদৰ সমীপত এখন অচিনাক্ত বাইকে তেওঁলোকৰ ই-ৰিক্সাখনত খুন্দা মাৰে। ফলত ই-ৰিক্সাখন যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হোৱাৰ লগতে দুয়োগৰাকী আৰোহী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পিছতে স্থানীয় লোকসকলে আহত দুয়োকে উদ্ধাৰ কৰি উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে। আনহাতে, দুৰ্ঘটনা সংঘটিত কৰি অচিনাক্ত বাহনখনৰ চালকজন ঘটনাস্থলীৰ পৰা আঁতৰি যোৱা বুলি জানিব পৰা গৈছে। চৰকাৰী আঁচনিৰ অধীনত লাভ কৰা ই-ৰিস্কাখনেই আছিল শাৰীৰিকভাৱে অক্ষম আমিন আলীৰ চলাচল আৰু জীৱিকাৰ এক অন্যতম সম্বল। দুৰ্ঘটনাত ই-ৰিক্সাখন বিধ্বস্ত হোৱাত পৰিয়ালটো অধিক বিপদত পৰিছে। ঘটনাটোৱে অঞ্চলটোত উদ্বেগৰ সৃষ্টি কৰিছে।

গুৱাহাটী শাখা লেখিকা সমাৱোহ সমিতিৰ বৈঠক

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১২ নৱেম্বৰ ঃ যোৱা ১০ নৱেম্বৰত লেখিকা সমাৱোহ সমিতিৰ গুৱাহাটী শাখাৰ নিয়মীয়া বৈঠকখনি আমবাৰীস্থিত সিদ্ধি নাথ শৰ্মা ভৱনত শাখাৰ সভানেত্ৰী জোনা বৰুৱা সভাপতিত্বত আৰু সম্পাদিকা কবিতা গোস্বামী পৰিচালনাৰে অনুষ্ঠিত হৈ যায়। সভাৰ প্ৰাৰ্থনা আৰু 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে সভাখন আৰম্ভ কৰা হয়। শাখাৰ লেখিকা সকলৰ মাজত এখনি আকস্মিক বক্তৃতাৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত ন-পুৰণি প্ৰায় সংখ্যক সদস্যাই অংশ গ্ৰহণ কৰে। বিচাৰকৰ আসনত আছিল বিশিষ্ট সাহিত্যিক তথা সদৌ অসম লেখিকা সমাৱোহ সমিতিৰ কাৰ্য্যকৰী সভানেত্ৰী নিলীমা বৰা আৰু উপদেষ্টা দীপ্তি বৰুৱা। বিচাৰকৰ চূড়ান্ত সিদ্ধান্তত তিনিগৰাকী প্ৰতিযোগীয়ে পুৰস্কাৰ পাবলৈ সক্ষম হয়। পুৰস্কাৰ প্ৰাপ্ত লেখিকা সকল ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বৰ্ণালী নেওগ, নন্দিতা বৰঠাকুৰ আৰু পল্লৱী গোস্বামী। স্মৰণ যোগ্য যে এই সভাত গুৱাহাটী শাখাৰ প্ৰতিষ্ঠাপক সম্পাদিকা জীৱন মাধুৰী নেওগ বৰা। তেওঁৰ উপস্থিতিয়ে লেখিকা সকলক যথেষ্ট উৎসাহিত কৰে। আনহাতে বৰ্তমানৰ উপদেষ্টা সান্ত্বনা নেওগ, মুকুতামালা বৰুৱা, সবিতা দেৱী, হিমানী চৌধুৰী আৰু মীনা কলিতা, উপ- সভানেত্ৰী নিৰদা দত্ত শৰ্মা তথা শাখাৰ বিষয়ৱবীয়া ক্ৰমে- ডাঃ কৰুবী গোস্বামী, কৃষ্ণ কুমাৰী দেৱী, মঞ্জুশ্ৰী বৰা, মনোৰমা বৰা, তৃষ্ণা শৰ্মা, কমলাক্ষী বৰা, ভেকুলিনা দলৈ, বিউটি বৰা উপস্থিত থাকে। সদৌ শেষত অসম জাতীয় সংগীতেৰে অনুষ্ঠানটি সামৰণি পৰে।

গুৱাহাটীত হাতীৰ দাঁত জব্দ দা-খুকুৰি দেখু�ৱাই দুৰ্বৃত্তৰ পলায়ন

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ বন্যপ্ৰাণীৰ দেহৰ অংগৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই গুৱাহাটী মহানগৰীৰ সোণাপুৰৰ টোলগেটৰ সমীপত হাতীৰ দুটা দাঁত জব্দ কৰিবলৈ সক্ষম হৈছে ৰাজহ চোৰাংচোৰা সঞ্চালকালয় (ডি আৰ আই)। যোৱা ৫ নৱেম্বৰত চলোৱা এই অভিযানত প্ৰায় ৩.৭ কিলোগ্ৰাম ওজনৰ হাতীৰ দাঁত দুটা জব্দ কৰা হয়। অৱশ্যে অভিযানকাৰী বিষয়াসকলক খুকুৰি আৰু দা দেখুৱাই ভাবুকি প্ৰদান কৰি পাঁচজন সন্দেহজনক চোৰাং সৰবৰাহকাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ডি আৰ আইৰ সূত্ৰ অনুসৰি, নিৰ্দিষ্ট চোৰাংচোৰা তথ্যৰ ভিত্তিত বিষয়াসকলে সন্ধিয়া প্ৰায় ৫.৪০ বজাত সোণাপুৰ টোলগেটৰ সমীপত অভিযান চলায়। সেই সময়তে দুচকীয়া বাহনত অহা পাঁচজন সন্দেহজনক লোকক বাধা প্ৰদান কৰে অভিযানকাৰী দলটোৱে। লোককেইজনৰ মাজৰ এজনৰ হাতত থকা এটা বেগত হাতীৰ দাঁত থকাৰ সন্দেহ হোৱাত বিষয়াসকলে তালাচীৰ চেষ্টা চলায়। কিন্তু তালাচীৰ পূৰ্বেই সন্দেহজনক লোককেইজনে পলায়নৰ চেষ্টা চলোৱাৰ লগতে অভিযানকাৰী বিষয়াসকলক খুকুৰি আৰু দা দেখুৱাই আক্ৰমণৰ ভাবুকি দিয়ে। পৰৱৰ্তী সময়ত বেগটো এৰি কাষৰীয়া এখন গাঁৱৰ দিশে পলায়ন কৰে লোককেইজনে। পিছত বেগটো তালাচী চলোৱাত ২১ ইঞ্চি আৰু ৩০ ইঞ্চি দৈর্ঘ্যৰ হাতীৰ দুটা দাঁত উদ্ধাৰ হয়।

শুৱালকুছিৰ ৰাজপথত মূল্যৱান গছৰ কুণ্ডাৰ সৰবৰাহ, প্ৰতিক্ৰিয়া



'আমৰৰ অসম'ৰ বংশৰৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ বস্ত্ৰনগৰী শুৱালকুছিৰ ব্যস্ত ৰাজপথেৰে নিতৌ দিনৰ পোহৰতে ট্ৰেক্টৰেৰে অবাধে সৰবৰাহ হৈছে মূল্যৱান গছৰ বৃহৎ বৃহৎ কুণ্ডা। বন বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ চকুৰ সন্মুখতে সংঘটিত হৈ থকা এই অবৈধ কাঠৰ বেহাই এতিয়া সমগ্ৰ অঞ্চলটোৰ সচেতন মহল তথা প্ৰকৃতিপ্ৰেমী ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এফালে ৰাজ্য চৰকাৰ তথা বন বিভাগে সেউজ আৱৰণ বৃদ্ধি আৰু অবৈধ কাঠৰ মিলসমূহ উচ্ছেদ কৰাৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে, আনফালে শুৱালকুছি অঞ্চলত ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে। স্থানীয় ৰাইজৰ গুৰুতৰ অভিযোগ অনুসৰি, অঞ্চলটোত কাঠফলা মিলসমূহ চৰকাৰী নীতি-নিয়ম উলংঘা কৰি চলি আছে আৰু এই মিলসমূহলৈ নিতৌ ট্ৰেক্টৰৰ জৰিয়তে চোৰাংকৈ মূল্যৱান গছৰ কুণ্ডা কঢ়িয়াই অনা হৈছে। আশ্চৰ্যজনক কথাটো হ'ল যে, ৰাজপথেৰে এনেদৰে মুকলিকৈ কাঠৰ কুণ্ডা সৰবৰাহ হৈ থকাৰ পাছতো ৰহস্যজনকভাৱে মৌন হৈ আছে হাজো বন বিভাগ। স্থানীয় দল-সংগঠনসমূহে অভিযোগ উত্থাপন কৰিছে যে বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ সৈতে থকা গোপন বুজাবুজিৰ বাবেই কাঠৰ মাফিয়াসকলে নিৰ্ভয়ে এই অবৈধ ব্যৱসায় চলাই নিবলৈ সাহস পাইছে। প্ৰকৃতিৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা এই অবাধ গছ কটা আৰু কুণ্ডা সৰবৰাহৰ বিৰুদ্ধে শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজ তথা বিভিন্ন দল-সংগঠনে ৰাজ্যৰ বন মন্ত্ৰী আৰু কামৰূপ জিলা প্ৰশাসনক দাবী জনাইছে।

কটন বিশ্ববিদ্যালয়ত ভগৱান গোস্বামী স্মাৰক বক্তৃতানুষ্ঠান

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১২ নৱেম্বৰ ঃ কটন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ উদ্যোগত বৃহস্পতিবাৰে তৃতীয় ডঃ ভগৱান গোস্বামী স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা টংলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ অৰ্দ্ধপা পটংগীয়া কলিতাই 'Colonial Exploitation, Women and Durgi' শীৰ্ষক বিষয়ত স্মাৰক বক্তৃতা প্ৰদান কৰে। বক্তৃতাত বক্তাগৰাকীয়ে ঔপনিৰেশিক শাসনৰ সময়ছোৱাত সংঘটিত শোষণ, নাৰীৰ অৱস্থান আৰু দূৰ্গীৰ ধাৰণাক ঐতিহাসিক আৰু সামাজিক দৃষ্টিকোণেৰে বিশ্লেষণ কৰে। তেওঁৰ বক্তব্যত ঔপনিৰেশিকতাবাদ, নাৰী-অধ্যয়ন আৰু সাংস্কৃতিক ইতিহাসৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত হয়। অনুষ্ঠানটিৰ আঁত ধৰে নিলাক্ষী কাকতিয়ে। আদৰণী ভাষণ প্ৰদান কৰে ডঃ ৰিতু থাওচেনে। স্মাৰক বক্তৃতাৰ সৈতে সংগতি ৰাখি ডঃ ভগৱান গোস্বামীৰ এটি কবিতা আবৃত্তি কৰে ইতিহাস বিভাগৰ গৱেষিকা ছাত্ৰী প্ৰিয়ম ডি জ্যোৎস্নাই। অনুষ্ঠানৰ শেষত ছাত্ৰী প্ৰাচুৰ্যা প্ৰেম গাৰ্গে শলাগৰ শৰাই আগবঢ়ায়। বিশ্ববিদ্যালয়ৰ এম চি বি-৩১১ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানে শিক্ষক, গৱেষক আৰু শিক্ষাৰ্থীসকলৰ মাজত ইতিহাস, সমাজ আৰু সংস্কৃতি সম্পৰ্কীয় বৌদ্ধিক চৰ্চাৰ এক গুৰুত্বপূৰ্ণ পৰিৱেশ সৃষ্টি কৰে। উল্লেখ্য, ডঃ ভগৱান গোস্বামীৰ স্মৃতিত আয়োজিত এই স্মাৰক বক্তৃতানুষ্ঠানৰ জৰিয়তে ইতিহাসৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ চৰ্চা আৰু শৈক্ষিক আদান-প্ৰদানৰ পৰম্পৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰা হৈছে।

গুৱাহাটীত সন্ধানহীন ধুবুৰীৰ প্ৰৌঢ়

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ গুৱাহাটী মহানগৰীৰ পৰা পুনৰ এগৰাকী লোক সন্ধানহীন হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। সন্ধানহীন লোকজন ধুবুৰী জিলাৰ গৌৰীপুৰৰ গোপাল নমঃশূদ্ৰ (৫৫) বুলি জানিব পৰা গৈছে। যোৱা ১১ নৱেম্বৰৰ পুৱাৰে পৰা লোকজনৰ কোনো সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই পৰিয়ালৰ লোকে। প্ৰাপ্ত তথ্য অনুসৰি, পেছাত কাঠমিস্ত্ৰী গোপাল নমঃশূদ্ৰই দীৰ্ঘদিন ধৰি গুৱাহাটীৰ হাতীগাঁৱৰ লখিমীনগৰত ভাৰাতীয়া হিচাপে থাকি কাঠমিস্ত্ৰীৰ কাম কৰি আহিছিল। যোৱা ১১ নৱেম্বৰত ঘৰলৈ উভতি যোৱাৰ উদ্দেশ্যে পুৱাই তেওঁ আই এছ বি টিলৈ ৰাওনা হৈছিল। কিন্তু আই এছ বি টিত উপস্থিত হোৱাৰ পিছতে তেওঁৰ ম'বাইল ফোনটো বন্ধ হৈ পৰে। ইফালে, নিশাপৰ্যন্ত গৌৰীপুৱৰ নিজ বাসগৃহত উপস্থিত নোহোৱাত পৰিয়ালৰ লোকসকল চিন্তিত হৈ পৰে। পৰৱৰ্তী সময়ত আজি পুৱাই পৰিয়ালৰ তৰফৰ পৰা দিছপুৰ থানাত এখন এজাহাৰ দাখিল কৰা হয়। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে নিৰুদ্দিষ্ট লোকজনৰ সন্ধানত অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

মা কামাখ্যা কোক ইণ্ডাষ্ট্ৰীজৰ বিৰুদ্ধে জি এছ টি চোৰাংচোৰাৰ অভিযান

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ কয়লা ব্যৱসায়ৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ বিৰুদ্ধে অসমত অন্যতম বৃহৎ অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে জি এছ টি চোৰাংচোৰা বিভাগে। মা কামাখ্যা কোক ইণ্ডাষ্ট্ৰীজ আৰু মহালক্ষ্মী গ্ৰুপৰ বিৰুদ্ধে চলোৱা সাতদিনীয়া তদন্ত আৰু তালাচী অভিযানৰ অন্তত ২.০৫ কোটি টকাৰ কৰ আৰু জৰিমনা চৰকাৰী ৰাজকোষত জমা কৰিবলৈ সক্ষম হৈছে বিভাগটো। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰতিষ্ঠানটোৰ সৈতে জড়িত নবীন কুমাৰ গুপ্তা ওৰফে নবীন সিংঘলৰ পৰা এই ধন আদায় কৰা হৈছে। যোৱা ১১ নৱেম্বৰত ২.০৫ কোটি টকা চৰকাৰী ৰাজকোষত জমা পৰে। নিশা প্ৰায় ১২.৩০ বজাত অভিযানৰ সামৰণি পৰে। উল্লেখ্য যে, তদন্তকাৰী দলটোৱে প্ৰতিষ্ঠান দুটাৰ ব্যৱসায়িক লেনদেন, কয়লা ক্ৰয়-বিক্ৰয় আৰু কৰ পৰিশোধকে ধৰি ব্যৱসায়ৰ বিভিন্ন দিশ সামৰি তদন্ত চলায়। এই তদন্তত কৰ ফাঁকিৰ তথ্য পোহৰলৈ অহা বুলি জানিব পৰা গৈছে। ইফালে, ২.০৫ কোটি টকা আদায় দিয়াৰ পিছতো নবীন কুমাৰ গুপ্তাৰ পৰা এতিয়াও বৃহৎ পৰিমাণৰ কৰ আদায় হ'বলৈ বাকী আছে। প্ৰয়োজনীয় নথি-পত্ৰ দাখিলৰ বাবে তেওঁক এমাহৰ সময়সীমা বান্ধি দিছে বিভাগটোৱে। দাখিল কৰা নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষাৰ পিছতহে চূড়ান্ত কৰৰ পৰিমাণ নিৰ্ধাৰণ কৰা হ'ব। আনহাতে, কয়লা ব্যৱসায়ৰ সৈতে জড়িত আন কেইবাগৰাকীও ব্যৱসায়ীৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছে তদন্তকাৰী দলে। ফলত আগন্তুক দিনত এই ব্যৱসায়িক চক্ৰৰ সৈতে জড়িত আন প্ৰতিষ্ঠান আৰু ব্যৱসায়ীৰ বিৰুদ্ধেও তদন্তৰ পৰিসৰ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

বিলাসীপাৰাত চোৰাং গৰুভৰ্তি বলেৰ'সহ আটক ২ সৰবৰাহকাৰী

'আমাৰ অসম'ৰ লক্ষীগঞ্জ আৰু বিলাসীপাৰাৰ প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ গো-ধন সৰবৰাহকাৰী চক্ৰৰ কঢ়িডৰত পৰিণত হৈছে বিলাসীপাৰা। বিলাসীপাৰাৰ বিভিন্ন পথেৰে নিতৌ সৰবৰাহ হৈ আহিছে চোৰাং গো-ধন। গো-ধন সৰবৰাহকাৰী ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে বিলাসীপাৰা আৰক্ষীয়ে আজি চলায় এক অভিযান। গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে চলোৱা অভিযানত চৰাঞ্চলৰ ছুৰাপাতা ৩য় খণ্ডত চোৰাং গৰুভৰ্তি এখন বলেৰ' পিকআপ বাহন জব্দ হয়। লগতে ভোলা মণ্ডলসহ দুজন গো-ধন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। পঞ্জীয়ন বিহীন বলেৰ' পিক আপ বাহন খনত ১৬টা গো-ধন বোজাই কৰি পশ্চিম বংগৰ ৰাজ্যৰ পৰা কঢ়িয়াই আনিছিল। বাহনখনত নিৰ্মমভাৱে গো-ধনসমূহ কঢ়িয়াই নিয়াৰ ফলত বাহনৰ খনৰ ভিতৰতে এটা গো-ধনৰ মৃত্যু হয়। ছিণ্ডিকেট চক্ৰটোই অতি নিৰ্মমভাৱে গো-ধন সৰবৰাহকাৰী কৰি অহা ঘটনাক স্থানীয় বিভিন্ন মহলে ব্যাপক প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। এইদৰে পশ্চিম বংগ ৰাজ্যৰ পৰা চোৰাং গো-ধন সমূহ কঢ়িয়াই লৈ আহি বিলাসীপাৰাৰ বিভিন্ন নদী পথেৰে বাংলাদেশ লৈ সৰবৰাহৰ কৰাৰ সন্দেহ ৰাইজৰ। এনে গো-ধন ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে আৰু অধিক কঠোৰ হবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে স্থানীয় বিভিন্ন মহলে।

Bank of Baroda | **बैंक ऑफ़ बड़ौदा** | India's International Bank | 119th FOUNDATION YEAR LEADING WITH TRUST

বেংক অফ বৰোদা, গুৱাহাটী ক্ষেত্ৰীয় কাৰ্যালয়, ১ম মহলা, জি.এছ. ৰোড, ভঙাগড়, গুৱাহাটী- ৭৮১০০৫ য়ে চৌহদৰ মালিকসকলৰ / পাৱাৰ অফ এটর্নি ধাৰকসকলৰ পৰা **দুটা নিবিদা প্ৰণালী** অৰ্থাৎ (ক) কাৰিকৰী নিবিদা (খ) বিত্তীয় নিবিদা, চৌহদৰ ভূমি মহলাত হ'লে ভাল, ভাড়াত অধিগ্ৰহণৰ বাবে প্ৰস্তাৱ আমন্ত্ৰণ জনাইছে।

শাখা	কাৰ্পেট এলেকা প্ৰায়	স্থান
এছএমই (ক্ষুদ্ৰ মজলীয়া উদ্যোগ)	১৫০০ - ১৮৫০ বৰ্গফুট	জি. এছ. ৰোড কামৰূপ (মহানগৰ) জিলা

ৰাজহুৱা খণ্ডৰ ইউনিটসমূহ / চৰকাৰী বিভাগসমূহৰ চৌহদক অগ্ৰাধিকাৰ দিয়া হ'ব। অধিক বিৱৰণৰ বাবে অনুগ্ৰহ কৰি আমাৰ ৱেবছাই